## অৰবিন্দৰ দৰ্শন

শ্ৰীঅৰবিন্দ (১৮৭২-১৯৫০) এজন অতীন্দ্ৰিয়বাদী সমকালীন ভাৰতীয় দাৰ্শনিক। তেওঁৰ দৰ্শন ঘাইকৈ ভাৰতীয় সংস্কৃতিৰ ভেটিতেই গঢ় লৈ উঠিছে যদিও তেওঁৰ দৰ্শনত পশ্চিমীয়া দৰ্শন আৰু ভাৰতীয় বেদান্ত দৰ্শনৰ একত্ৰীকৰণ সুস্পষ্ট। শ্ৰীঅৰবিন্দ ৰচিত কেইখনমান বিখ্যাত গ্ৰন্থ হ'ল ঃ The Life Divine, The Synthesis of Yoga. The Foundations of Indian Culture, Essays on the Gita, Savitri ইত্যাদি।

শ্ৰীঅৰবিন্দৰ দৰ্শন এক এক অখণ্ড দৰ্শন। এই দৰ্শনৰ মতে যথাৰ্থতাক আধ্যাত্মিক অতিবৌদ্ধিক অন্তৰ্দৃষ্টিৰেহে অনুভৱ কৰিব পৰা যায়। এই যথাৰ্থতা হ'ল এক পৰম চৈতন্য, এক চৰম বিদ্যমান সত্তা। এই সত্তা অতিবৰ্তী আৰু অন্তৰ্বৰ্তী। এই সত্তাই ব্ৰহ্ম। ব্ৰহ্ম বিশ্বজগতৰ সকলো জীৱ আৰু জড়তে বিদ্যমান। শ্ৰীঅৰবিন্দৰ মতে জড় আৰু আত্মা উভয়ে যথাৰ্থ। সেইবাবে এই দৰ্শনত চৰম জড়বাদ আৰু চৰম ভাৱবাদৰ এক অপূৰ্ব সমন্বয় পৰিলক্ষিত হয়।

পৰম ব্ৰহ্ম হ'ল সচ্চিদানন্দ। ব্ৰহ্ম সৎ অৰ্থাৎ অস্তিত্ব, চিৎ অৰ্থাৎ চৈতন্য শক্তি আৰু আনন্দ অৰ্থাৎ পৰমসুখ। ব্ৰহ্ম জগত অস্তিত্বৰ মূল। এই ব্ৰহ্মত চৈতন্য শক্তি নিহিত হৈ থাকে। এই চৈতন্যশক্তি হ'ল 'দিব্য মাতৃ' আৰু দিব্য মাতৃয়েই সমগ্ৰ জীৱ আৰু জড় সৃষ্টি কৰে। ব্ৰহ্মাই জড় আৰু জীৱৰ জগতত আত্মপ্ৰকাশৰ আনন্দ লাভ কৰা অৱস্থাটোৰেই হৈছে পৰমসুখৰ অৱস্থা।

শ্ৰীঅৰবিন্দৰ দৰ্শনৰ কেন্দ্ৰবিন্দু হৈছে বিবৰ্তনৰ ধাৰণা। পৰম ব্ৰহ্ম বিবৰ্তনৰ উৎস আৰু তুঙ্গ। সকলো সৃষ্টি বা পৰিৱৰ্তন ব্ৰহ্মৰ আত্মঅভিব্যক্তি। ব্ৰহ্মৰ স্থিৰ আৰু গতিশীল দুটা দিশ আছে। স্থিৰ অৰ্থত ব্ৰহ্ম হ'ল সচ্চিদানন্দ আৰু গতিশীল অৰ্থত ব্ৰহ্ম হ'ল অতিমানস। অতিমানসে সচ্চিদানন্দ আৰু বহুত্বৰ জগতৰ মাজত সংযোগ স্থাপন কৰে।

শ্ৰীঅৰবিন্দই যদিও শঙ্কৰাচাৰ্যৰ নিচিনাকৈ অদ্বৈত ব্ৰহ্মকে জগতৰ পৰম সত্য বুলি গ্ৰহণ কৰিছে, তথাপি তেওঁ এই জগতক অসত্য বুলি কোৱা নাই। বিশ্বজগত আৰু ব্যক্তি ব্ৰহ্মতেই আশ্ৰয় কৰি থাকে। কিন্তু এই জগতত এক বিবৰ্তন প্ৰক্ৰিয়া চলি আছে। সৃষ্টিৰ সমগ্ৰ প্ৰক্ৰিয়াটো ক্ৰমবিকাশৰ দুই ধাৰা- অৱৰোহন আৰু আৰোহণ মাথোন। ই পৰম ব্ৰহ্মৰ আত্ম-বিলুপ্তিকৰণ আৰু আত্মপ্ৰকাশৰ এক দৈৱিক লীলা। বিবৰ্তনৰ দুটা মণ্ডল আছে - উচ্চমণ্ডল আৰু নিম্নমণ্ডল। সৎ, চিৎ আৰু আনন্দই বিবৰ্তনৰ উচ্চমণ্ডলক আৰু জড়, জীৱ, আত্মা আৰু মনে নিম্নমণ্ডলক বুজায়। এই দুই মণ্ডলৰ মাজৰ সংযোগী স্তৰ হ'ল অতিমানস। গতিকে অৰবিন্দৰ মতে বিশ্ব অস্তিত্বৰ মূল ভেটি আঠটা হ'ব- অস্তিত্ব, চৈতন্যশক্তি, আনন্দ, অতিমানস, মন, আত্মা, জীৱ আৰু জড়।

শ্ৰীঅৰবিন্দই বিবৰ্তনৰ তত্ত্বত উল্লেখ কৰিছে যে দিব্যসত্তা অৰ্থাৎ পৰমব্ৰহ্মই শুদ্ধ অস্তিত্বৰ পৰা চৈতন্য, আনন্দ আৰু অতিমানসৰ মাধ্যমেৰে জগতলৈ অৱৰোহণ কৰে। অৰ্থাৎ পৰমব্ৰহ্মৰ ওপৰত স্তৰে স্তৰে আৱৰণ সৃষ্টি হৈ ব্ৰহ্মৰ ৰূপান্তৰ ঘটে আৰু ই অচেতন জড়ৰ আৱৰণ গ্ৰহণ কৰে। কিন্তু এই অচেতন জড়ৰ মাজতো চৈতন্য নিহিত হৈ থাকে। পুনৰ এক ক্ৰমবিকাশ প্ৰক্ৰিয়াৰ জৰিয়তে জড়ৰ পৰা জীৱ, আত্মা, মন আৰু অতিমানস প্ৰকাশিত হয়। জড়ৰ পৰা বিকশিত জীৱ, আত্মা, মন আৰু অতিমাসৰ মাধ্যমেৰে ব্যক্তিয়ে দিব্যসত্তালৈ আৰোহণ কৰে। নিম্নমণ্ডলৰ পৰা উচ্চমণ্ডললৈ আৰোহণ কৰি অজ্ঞতাৰ পৰা মুক্ত হৈ মনে অতিমাসত নিজকে উপলব্ধি কৰিব পাৰিলেহে ব্যক্তিয়ে দিব্যজীৱন লাভ কৰিবলৈ সমৰ্থ হ'ব।

বিবৰ্তন প্ৰক্ৰিয়াৰ ফলত দেহত আৱিৰ্ভাব হোৱা আত্মাৰ অতীন্দ্ৰিয় সত্তাৰ সৈতে এক ঐক্য থাকে। বিবৰ্তন প্ৰক্ৰিয়াৰ পৰা স্পষ্ট হৈ পৰে যে আমাৰ আত্মাৰ এক মনুষ্যাপূৰ্ব অতীত আৰু এক উৰ্দ্ধ মানৱিক ভৱিষ্যৎ আছে। বৰ্তমান স্তৰৰ পৰা অধিক উচ্চতৰ স্তৰলৈ মনুষ্যত্বক বিকাশৰ বাবে ব্যক্তিয়ে বাৰে বাৰে জন্ম গ্ৰহণ কৰিবলগীয়া হয়। সেইবাবে শ্ৰীঅৰবিন্দৰ মতে পুনৰ্জন্ম অনিবাৰ্য। দিব্য আত্মাই জটিল উপাদান গঢ় দিয়াৰ ফলত নতুন দেহৰ লগত নতুন মানসিক ব্যক্তিত্বৰ জন্ম হয় আৰু শ্ৰীঅৰবিন্দৰ মতে ইয়ে হ'ল পুনৰ্জন্ম। বাৰে বাৰে হোৱা পুনৰ্জন্মৰ ফলত মনুষ্যই বৰ্তমান অবস্থা পাইছেহি আৰু দিব্যজীৱন লাভ কৰাৰ উদ্দেশ্যে এই মনুষ্যত্বৰ ভৱিষ্যতেও বিকাশ হৈয়ে থাকিব। আনহাতে কৰ্ম অবিহনে পুনৰ্জন্ম অৰ্থহীন। এই জন্মৰ কৰ্মই পিছৰ জন্মত প্ৰভাৱ পেলায়। শ্ৰীঅৰবিন্দই কৰ্মবাদক সামগ্ৰিক অৰ্থত ব্যৱহাৰ কৰি কৈছে যে এজনৰ জীৱনৰ কৰ্মৰ ফলে আন এজনৰ ওপৰত প্ৰভাৱ পেলায়। এটা জাতিৰ লোকে সামগ্ৰিকভাৱে কৰা কৰ্মই জাতিটোৰ উত্তৰপুৰুষৰ অদৃষ্টৰ গঢ় দিয়ে।

শ্ৰীঅৰবিন্দৰ মতে, অজ্ঞানতাৰ পৰা মুক্ত হৈ পৰমসত্তা সম্পৰ্কে সজাগ হ'বলৈ আমাৰ বৰ্তমানৰ প্ৰকৃতিৰ এক ৰূপান্তৰৰ প্ৰয়োজন। ইয়াতেই শ্ৰীঅৰবিন্দই অখণ্ড যোগৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে আৰু এই অখণ্ড যোগত তিনিস্তৰীয়া ৰূপান্তৰৰ পদ্ধতিক অন্তৰ্ভুক্ত কৰিছে। এই পদ্ধতিৰে মন আৰু অতিমানসৰ মাজত থকা ব্যৱধান দূৰ কৰা সম্ভৱ হয়। এই প্ৰক্ৰিয়াত প্ৰথমে এক মানসিক পৰিৱৰ্তনৰ আৱশ্যক। এই স্তৰত আমাৰ মানসিক সত্তা অৰ্থাৎ আত্মাৰ বিকাশ সাধন হয় আৰু আত্মাই ধীৰে ধীৰে অজ্ঞানতাৰ পৰা জ্ঞানৰ পথত অগ্ৰসৰ হয়। ৰূপান্তৰৰ দ্বিতীয় স্তৰটো হ'ল আধ্যাত্মিক পৰিৱৰ্তন। এই স্তৰত আধ্যাত্মিক সত্তাই অৱৰোহী সত্তাৰ শক্তি, জ্ঞান আৰু আনন্দ গ্ৰহণ কৰে। এই স্তৰত অজ্ঞানতা দূৰ হয় যদিও সামগ্ৰিকতাৰ অখণ্ডজ্ঞান লাভ কৰাটো সম্ভৱ নহয়। সেইবাবে শ্ৰীঅৰবিন্দই ৰূপান্তৰৰ এক তৃতীয় স্তৰ অৰ্থাৎ অতিমানসিক বা পাৰমানসিক পৰিৱৰ্তনৰ স্তৰৰ বিষয়ে উল্লেখ কৰিছে। এই স্তৰত বুজিব পাৰি যে অৱৰোহ অবিহনে সামগ্ৰিকতাৰ অখণ্ড জ্ঞান প্ৰাপ্তি সম্ভৱ নহয়। পৰম সত্তা উপলব্ধিৰ বাবে উচ্চতৰ শক্তিৰ সহায়ৰ প্ৰয়োজন। আমালৈ পৰমসত্তাৰ অৱৰোহ হ'লেহে অতিমানসৰ আবিৰ্ভাৱ হ'ব পাৰে। এই অতিমাসিক ৰূপান্তৰৰ স্তৰত আমাৰ সমগ্ৰ সত্তা দিব্য আত্মাৰ সৈতে এক হৈ পৰে। আমাৰ চৈতন্যই উচ্চতৰ মন, আলোকিত মন, অন্তৰ্জ্ঞানীয় মন আৰু উৰ্দ্ধমনৰ মাধ্যমেৰে আৰোহন কৰি অতিমানসিক স্তৰত উপনীত হয়।

অতিমানস বিৰ্বনৰ চূড়ান্ত পৰ্যায়। এই অতিমানসিক পৰিৱৰ্তন হ'ল জ্ঞানৰ পৰিৱৰ্তন। ই প্ৰকৃতিৰ পৰা পৰা-প্ৰকৃতিলৈ হোৱা এক

পৰিৱৰ্তন। অতিমানসৰ অৱৰোহণৰ চূড়ান্ত স্তৰত মানুহ অতিমানৱলৈ আৰু প্ৰকৃতি পৰা-প্ৰকৃতিলৈ পৰিৱৰ্তন হয়। ইয়াতেই জ্ঞানৰ মাধ্যমেৰে বিৱৰ্তন প্ৰক্ৰিয়া সচ্চিদানন্দলৈ আগবাঢ়ে।

অতিমানৱ বা জ্ঞানবাদী সত্তা আধ্যাত্মিক সত্তাৰ সম্পূৰ্ণতা মাথোন। জগতৰ সকলো অস্তিত্ব তেওঁৰ বাবে নিজা আত্মা হ'ব। শ্ৰীঅৰবিন্দই কয় যে, পৰমসত্তাৰ সৈতে একাত্ম হৈ যোৱাটোৱেই মানুহৰ অদৃষ্ট। জ্ঞানবাদী সত্তাই অজ্ঞানতা আঁতৰ কৰি জগতৰ সকলো জীৱক দৈৱিকতা প্ৰদান কৰিব। কিন্তু এজন ব্যক্তি অতিমানৱ বা জ্ঞানবাদী সত্তালৈ ৰূপান্তৰ হ'লেই এখন দিব্যজগত সৃষ্টি নহয়। ইয়াৰ নিমিত্তে জ্ঞানবাদী সত্তাসমূহে সমগ্ৰ জগতৰ আধ্যাত্মিক ৰূপান্তৰৰ বাবে অবিৰতভাৱে ক্ৰিয়া কৰি যাব লাগিব। দিব্যজীৱন হ'ল এক সম্পূৰ্ণ পৰিৱৰ্তন। যেতিয়া সমগ্ৰ মানৱ জাতিৰ অতিমানৱলৈ আৰু প্ৰকৃতিৰ পৰা পৰা প্ৰকৃতিলৈ ৰূপান্তৰ ঘটিব, তেতিয়াহে জগতত দিব্যজীৱন সম্ভৱ হ'ব। এইদৰে শ্ৰীঅৰবিন্দৰ দৰ্শনে স্পষ্ট কৰি দিয়ে যে মানুহ আৰু সমগ্ৰ প্ৰকৃতি জগতক দৈৱিকতা প্ৰদান কৰাটোৱেই হৈছে পৰমসত্তাৰ জড় দ্ৰব্যলৈ অৱৰোহণৰ অভিপ্ৰায়।